
**প্ৰাক-স্বাধীনতা যুগৰ অসমীয়া সাহিত্যত দেশৰ স্বাধীনতা এটা বিষয় হৈ থকাটো এটা স্বাভাৱিক কথা।... সৃজনীশীল সাহিত্যত স্বাধীনতা সংগ্ৰামৰ কাহিনী দেশে স্বাধীনতা লাভ কৰাৰ পিচতো বিভিন্নধৰণেৰে পুনৰ্নিৰ্মাণ কৰা হৈছিল।**

# অসমীয়া সাহিত্যত স্বাধীনতা সংগ্ৰাম



ড° আনন্দ বৰমুদৈ

**অম্বিকাগিৰী** ৰায়চৌধুৰীয়ে স্বাধীনতা সংগ্ৰামৰ পটভূমিত লিখিছিল 'মই বিপ্লৱী, মই কাণ্ডাৰী'। তেওঁৰ কবিতাই মানুহক স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল আৰু সংগ্ৰামত যোগদান কৰা মানুহৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছিল। প্ৰসন্নলাল চৌধুৰীৰ কবিতাত স্বদেশপ্ৰেমে বিদ্ৰোহৰ ৰূপ লৈছিল। আব্দুল মালিকে জনগণক দেশপ্ৰেম আৰু আত্মসন্মানবোধেৰে উদ্বুদ্ধ কৰি স্বাধীনতা সংগ্ৰামলৈ আহ্বান জনাই লিখিলে, 'পাহৰাৰ জাত/পাহৰিলি গীত পাহৰিলি মাত/চুৰা পাতনিত বিচাৰিলি ভাত/ক'ত থলি তোৰ মান?' বিয়াল্লিশৰ আন্দোলনৰ প্ৰসংগত লিখা 'পাহৰাৰ জাত' কবিতাত জাতীয় চেতনা জগাবলৈ আৰু কোৱা হৈছে, 'নিজৰ মূৰৰ পাগুৰি আৱেগেৰে/ মচিছ প্ৰভুৰ জোতা/কলপটুৱাত নিজে পানী খাই/পৰক কাহি লোটা।' পৰাধীন ভাৰতত অসমীয়া মানুহক অতীত গৌৰৱৰ কথা সোঁৱৰাই দিবলৈ কবিয়ে ৰাজহুৱা স্থিতি গ্ৰহণ কৰি সজোৰে সাব্যস্ত কৰিছে— 'মই অসমীয়া'। ভাৰত ত্যাগ আন্দোলনত ব্ৰিটিছ চৰকাৰে কৰা অত্যাচাৰৰ প্ৰতিবাদত তেওঁ লিখিছিল, 'ধ্বংসজয়ী, মৃত্যুঞ্জয়ী আমি/ অনাগত জীৱন সৃষ্টিকামী মৰণ আমাৰ ভয়ত পলায় প্ৰাণৰ আঁৰে আঁৰে।'

প্ৰাক-স্বাধীনতা যুগৰ অসমীয়া সাহিত্যত দেশৰ স্বাধীনতা এটা বিষয় হৈ থকাটো এটা স্বাভাৱিক কথা। কবিসকল এটা যুগৰ সূক্ষ্মতম চেতনা ধৰি ৰখা মানুহ। কবিতাত পোনপটীয়াকৈ সংগ্ৰামৰ আহ্বান নাথাকিবও পাৰে, কিন্তু দেশৰ স্বাধীনতাৰ আকাংক্ষা বিভিন্ন ধৰণেৰে প্ৰকাশ পাব পাৰে। ভৱনাথ হাজৰিকাৰ 'কবি আজি গোৱা বজ্ৰগান' কবিতাৰ বিষয় ভাষা আৰু দেশপ্ৰেম, 'কান্দিছে জনমভূমি, কান্দা কবি/ ... কৰ্মহীন, হীন স্বাধীনতা/ কবিতাত মূৰ্ত কৰা প্ৰাণ/কবি আজি গোৱা সেই গান।' অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'এইটো নহয়' কবিতাত দেশমাতৃৰ বাবে সন্তানে প্ৰাণ বলিদান দিয়াৰ কথা উল্লেখ কৰা হৈছে, 'ই যে শত আঘাতৰ ৰক্ত ধুউৱা শ্ৰাৱণৰ মহাবান/ইয়ে মাতৃ আদেশ, সন্তন প্ৰাণ-দিবলকে বলিদান।' হিতেশ্বৰ বৰবৰুৱাই 'স্বদেশৰ স্বাধীনতা' কবিতাত লিখিছিল, 'স্বদেশৰ স্বাধীনতা, তাৰ অৰ্থে যিটো/ জীৱন উৎসৰ্গ কৰি মৰে সমৰত/মৃত্যু হয় তাৰ শান্তি মহানিদ্ৰা তাৰ/ অনন্ত বিশ্ৰাম মাথোঁ বিশ্ব জননীৰ/কোলাত (শান্তিৰে ভৰা)'। পদ্মধৰ চলিহাই ৱাল্টাৰ স্কটৰ 'পেট্ৰিঅ'টিজম' (Patriotism) কবিতাৰ সুন্দৰ অসমীয়া অনুবাদ কৰিছে, ধৰেনে জনম কেৱে এই মৰতত/শিলাময় কৰি তাৰ হিয়া/'এয়ে মোৰ জন্মভূমি বুলি মনে মনে/এবাৰো যি কোৱা নাইকিয়া?' (Breathes there the man with soul so dead/who never to himself hath said/This is my own, my native land!') 'আহ্বেম কৌঁৱৰ'ত এম ইব্ৰাহীম আলীয়ে গৌৰৱোজ্জ্বল অতীতৰ কথা সোঁৱৰাই দি লিখিছে, 'ধ্বংসৰ বুকুত গঢ়িব লাগিব/হেৰোৱা সোণৰ কলচী দ'ল/গাঁঠিব লাগিব শত জয় দৌল/বান্ধিব লাগিব নতুন বল।'











জ্যোতিপ্ৰসাদ আগৰৱালাই স্বাধীনতা সংগ্ৰামৰ বাবে ৰাইজক অনুপ্ৰাণিত কৰিব পৰা অনেক কবিতা লিখিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ পিচতো স্বাধীনতা সংগ্ৰামক বিষয় কৰি ভালেসংখ্যক কবিতা তেওঁ লিখিছিল। বিয়াল্লিশৰ ছহিদ কনকলতাক লৈ লিখিলে, 'হুংকাৰি উঠিল মুক্তি যুঁজাৰু/ওলাই আহিল অসমী গাভৰু/মৃত্যুবিজয়ী গাঁৱৰ জীয়ৰী/দীপ্ত কনকলতা।' স্বাধীনতা সংগ্ৰামে ভাৰতীয় জনতাক জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে একত্ৰিত কৰিছিল। 'অসমীয়া ডেকাৰ উক্তি'ত তেওঁ লিখিছিল, 'ময়েই হিন্দু/ময়েই মুছলমান/... গীতা-কোৰানেৰে, বাইবেলেৰে/কত গ্ৰন্থেৰে মই/সকলো ধৰ্মৰ মৰ্ম/বুকুত লৈ।' 'জ্যোতিশংখ' শীৰ্ষক কবিতাত লিখিছিল, 'তই অসমীয়া শৰাইঘটীয়া/তই যে অগ্নি-বীৰ্য/জ্বলি উঠ নৱ সূৰ্য।' 'পোহৰৰ গান' শীৰ্ষক কবিতাত লিখিছিল, 'আজি জাগ্ৰত ভাৰত/পোহৰৰ গানে গানে/ জাগে জনতাৰ মহাপ্ৰাণ।' দ্বিতীয় মহাসমৰ আৰু স্বাধীনতা সংগ্ৰামক পৃষ্ঠভূমি কৰা 'লভিতা' নাটকত ভলণ্টিয়াৰে গাইছে, 'বিশ্ববিজয়ী নৱ জোৱান/বিশ্ববিজয়ী নৱ জোৱান/শক্তিশালিনী ভাৰতৰ/ওলাই আহা, ওলাই আহা/সন্তান তুমি বিপ্লৱৰ।' আব্দুল মালিকৰ 'ৰূপতীৰ্থৰ যাত্ৰী' জ্যোতিপ্ৰসাদৰ জীৱনক লৈ লিখা উপন্যাস। উপন্যাসখনৰ দ্বিতীয় খণ্ডত স্বাধীনতা আন্দোলনত জ্যোতিৰ্ময়ৰ অংশগ্ৰহণ প্ৰধান বিষয়। জ্যোতিয়ে ৰাইজৰ আগত দিয়া বক্তৃতাৰ সাৰাংশ এইবুলি দিব পাৰি যে ঋইজে সকলো দুখ-কষ্টক মুক্তি সংগ্ৰামৰ বিপ্লৱী চেতনালৈ সলনি কৰিব লাগে। জ্যোতিপ্ৰসাদৰ সংগ্ৰামী চেতনাৰ লগতে সাহিত্য কৃতিৰ সম্যক আলোচনা আছে চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'তোৰে মোৰে আলোকৰে যাত্ৰা'ত। দেৱেন্দ্ৰ আচাৰ্যৰ 'অন্য যুগ অন্য পুৰুষ'ত বেংবেলেষ্টৰে ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ কথা কওঁতে ঘটনাবোৰে সাধুকথাৰ ৰূপ লৈছে, কিন্তু গান্ধী দৰ্শনৰ মূল কথা একেই আছে, 'অহিংসা পৰম ধৰ্ম। কোনো প্ৰাণীকে কেতিয়াও হিংসা কৰিব নাপায়— লাগিলে সি কুম্পানীৰ চেহাৰেই হওক, বা নৰামৰ পুতেক ভেলেউ চোৰেই হওক।' বিষ্ণু ৰাভাৰ একমাত্ৰ উপন্যাস মিচিং কনেঙৰ মূল বিষয় ফুমং-পাৰছলীৰ প্ৰেম আৰু দেশৰ স্বাধীনতা সংগ্ৰাম। দেশৰ স্বাধীনতা সংগ্ৰামৰ অংশীদাৰ হৈ মানুহে নিজৰ মাজৰ সৰু-সুৰা পাৰ্থক্যক পাহৰি যাব পাৰে। চন্দ্ৰ প্ৰসাদ শইকীয়াৰ 'জন্মান্তৰ কাহিনী' ১৯৩০ চনত আৰম্ভ হৈছে আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰাম, দ্বিতীয় মহাসমৰ, ৰাজনৈতিক পট পৰিবৰ্তন আদিক সামৰি স্বাধীনতা লাভৰ ফালে কাহিনী আগবাঢ়িছে। অৰুণ শৰ্মাৰ 'আশীৰ্বাদৰ ৰং' উপন্যাসখনত বিয়াল্লিশৰ আন্দোলনত গহপুৰ থানাত ত্ৰিৰংগ পতাকা উত্তোলন কৰাৰ বিষয়ে কোৱা হৈছে, 'দৰকাৰ হ'লে লাঠিৰ কোব খাই, বেয়নেটৰ খোঁচ খাই, আনকি বন্দুকৰ গুলী আহি গাত লাগিলেও ৰাইজ, বিশেষকৈ যুৱক-যুৱতীৰ বাহিনীটো আগুৱাই যাব আৰু থানাৰ মূধচত ত্ৰিৰংগ পতাকা এখন আৰি দিবগৈ।' (পৃঃ ৩৭) স্বাধীনতা, দেশ বিভাজন আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ প্ৰভাৱ কুঁৱৈগুৰি চাপৰিত বসবাস কৰিবলৈ লোৱা মুছলমান মানুহকেইঘৰৰ ওপৰত পৰিল।

স্বাধীনতা সংগ্ৰামক বহল পৰিসৰত আলোচনা কৰা এখন উপন্যাস বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়'। ভাৰতৰ স্বাধীনতা সংগ্ৰাম, বিশেষকৈ বিয়াল্লিশৰ ভাৰত ত্যাগ আন্দোলনক পটভূমি কৰি ৰচনা কৰা এই উপন্যাসখনৰ কাহিনীলৈ অনেক বিষয় সোমাই আহিছে। সাৰদা গোসাঁই, ভিভিৰাম, ধনপুৰ, ৰূপনাৰায়ণ, আহিনা আদিয়ে লগ লাগি ৰে'ল বগোৱাৰ ঘটনাটো কাহিনীৰ কেন্দ্ৰত আছে যদিও হিংসা-অহিংসাৰ দ্বন্দ্বৰ মাজেদি অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ গতিশীল ছবি এখন কাহিনীয়ে ধৰি ৰাখিছে। ৰে'ল বগৰোৱাৰ ঘটনা কাহিনীৰ শীৰ্ষ বিন্দু হ'লেও স্বাধীনতা সংগ্ৰামক কেন্দ্ৰ কৰি বিশাল হাৰত হ'বলৈ ধৰা পৰিবৰ্তনৰ কথাইহে কাহিনীৰ অধিক ঠাই জুৰি আছে। স্বাধীনতাৰ সংগ্ৰামে মানুহৰ পুৰণি বিশ্বাস, আচাৰ-অনুষ্ঠান, চিন্তাধাৰা, জীৱনবোধ আদিক সলনি কৰিবলৈ আৰম্ভ কৰিছে। মানুহে জীৱন আৰু জগতক যুক্তিৰে বিচাৰ কৰি চাবলৈ ধৰাৰ কাৰণে কিছুমান ধৰ্মীয় বিশ্বাসৰ ভেটিও অস্থিৰ হ'বলৈ আৰম্ভ কৰিছে ঃ 'তিৰোতাৰ সতীত্ব গ'ল, ডেকা ল'ৰাৰ বুকু ফাটিল, বুঢ়া-বুঢ়ীয়ে টিকা চোঁচৰা খালে, দেশৰ মানুহে পাইকাৰী জৰিমনা ভৰিছে, এতিয়া কৃষ্ণ ক'তা? (পৃঃ ১৮৬) উপন্যাসত ধনপুৰ কেৱল ফিচ্‌প্লেণ্ট খুলি ৰে'ল বগৰোৱা নায়কেই নহয়, তেওঁ পুৰণি ধৰ্মীয় বিশ্বাস আৰু সংস্কাৰ ত্যাগ কৰি যুক্তিনিৰ্ভৰ কৰিব পৰা নতুন যুগৰ ডেকা।




মাণিক বৰাৰ বিশ্বাসৰ বিৰোধিতা কৰি সি কৈছে, 'পূৰ্বজন্ম, পৰজন্ম এইবোৰ একো নাই, জন্ম একেটাই।' মাণিক বৰাই তাৰ বিৰুদ্ধে অভিযোগ আনিছে যে সি হিন্দু-মুছলমান, খ্ৰীষ্টান, নগা, মিকিৰ আদি সকলোৰে হাতে আৰু মদে-মঙহে খায়। ধনপুৰে 'কীৰ্তন'ৰ উদ্ধৃতিৰে উত্তৰ দিছে, 'তেজস্বীতো কিছু নাহি অধৰ্ম।' জয়ৰাম মেধিয়ে মায়ঙৰ বেজ. বেজালি, মন্ত্ৰ-কুমন্ত্ৰৰ বিষয়ে কৈছে, 'সঁচা মিছাৰ প্ৰমাণ হাতে হাতে দিব পাৰিলোহেঁতেন। কিন্তু প্ৰভু ঈশ্বৰে কংগ্ৰেছত লগাবৰে পৰা এৰি দিলো। সেই যে পীৰাখন দেখিছা তাতে লগাই থ'ব পাৰিলোহেঁতেন।' (পৃঃ ১৮৭) বিয়াল্লিশৰ আন্দোলনত অসমৰ বিভিন্ন ঠাইত ব্ৰিটিছ চৰকাৰে কৰা অত্যাচাৰ, উৎপীড়ন, হত্যাৰ কাহিনীয়ে ধনপুৰ আৰু তেওঁৰ লগৰীয়াসকলক হিংসাৰ পথ ল'বলৈ বেছিকৈ উদগনি দিছে। উপন্যাসত ভোগেশ্বৰী ফুকননী, মদন ৰাউতা, কনকলতা, মুকুন্দ কাকতি আদিৰ উল্লেখ কৰা হৈছে। যিসকলে দেশৰ মানুহৰ কাৰণে জীৱন উচৰ্গা কৰিছে তেওঁলোকেই মৃত্যুঞ্জয়ী। তৃতীয় অধ্যায়ৰ শেষৰ ফালে ধনপুৰে কৈছে, 'দৰকাৰ হ'লে আমি মৃত্যুকো জয় কৰিব লাগিব।' (পৃঃ২০০) সৃজনীশীল সাহিত্যত স্বাধীনতা সংগ্ৰামৰ কাহিনী দেশে স্বাধীনতা লাভ কৰাৰ পিচতো বিভিন্নধৰণেৰে পুনৰ্নিৰ্মাণ কৰা হৈছিল।